OFFICE OF THE PRINCIPAL
**S.B. DEORAH COLLEGE**
**ULUBARI, GUWAHATI – 781 007**
**Tel.:** 0361-3511878
**E-mail:** sbdeorahcollege@gmail.com
**Website:** www.sbdeorahcollege.org.in

**CLEANLINESS DRIVE**
**Date: 28/01/2023**
**Venue: Bharalu River Bank**

A Cleanliness Drive at Bharalu River Bank was organised by NSS Unit, S B Deorah College with financial support from SBI. The drive wad participated by Dr. Dharmendra Nath, Principal, S B Deorah college, Dr. Dhrubajyoti Dutta AGM, SBI, teachers and students of the college. The programme aimed at spreading awareness about Swacchata.






এছ বি আই-এছ বি দেওৰা মহাবিদ্যালয়ৰ যুটীয়া স্বচ্ছতা অভিযান

গুৱাহাটী, ২৮ জানুৱাৰী ঃ ভাৰতীয় ষ্টেট বেংকৰ আৰ্থিক সাহায্যত আৰু এছ বি দেওৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ তিনিটা অঞ্চল ক্ৰমে দীপৰ বিল, ভৰলু নদীৰ পাৰ আৰু ভঙাগড়ৰ বজাৰ অঞ্চলত স্বচ্ছতা অভিযান চলোৱা হয়। জনসাধাৰণৰ মাজত স্বচ্ছতা সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে তথা বিশ্বৰ বহনক্ষম উন্নয়নৰ লক্ষ্যৰ প্ৰতি দৃষ্টি ৰাখি আয়োজন কৰা এই অভিযানৰ আৰম্ভণি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধৰ্মেন্দ্ৰ নাথে। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী সমন্বয়ক ড° কমলমণি ডেকা, ড° জ্যোতিষ্মান গগৈ তথা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ভাৰতীয় ষ্টেট বেংকৰ সহকাৰী মহাপ্ৰবন্ধক ড° দেবজ্যোতি দত্ত আৰু দুগৰাকী জ্যেষ্ঠ বিষয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলে ৫০ জনীয়া তিনিটা দলত বিভক্ত হৈ কাৰ্যসূচী সমন্বয়কৰ তত্বাৱধানত উল্লিখিত তিনি স্থানত স্বচ্ছতা অভিযান চলায়। কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণক স্বচ্ছতাক এক নৈমিত্তিক অভ্যাস হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সজাগ কৰি তোলাৰ দিশটোতো গুৰুত্ব প্ৰদান কৰা হয়।

